অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং :১৭৯
উত্তৰ দানৰ তাৰিখ –২২/০৭/২০২৬

*বিষয়:* **খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণ সম্পৰ্কে।**

বিধায়ক: শ্ৰী বলিন চেতিয়াঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয় আৰু ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ আন্তঃগাঁথনি অতি জৰাজীৰ্ণ হৈ আছে। এই বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদিহে জ্ঞাত, শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয় আৰু ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰে কোনো আঁচনি হাতত লৈছে নে ? যদি লৈছে, কেতিয়ালৈ আন্তঃগাঁথনি নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি অতি জৰাজীৰ্ণ হৈ আছে এই বিষয়ে চৰকাৰ জ্ঞাত । আনহাতে, ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি অতি জৰাজীৰ্ণ হৈ আছে এই বিষয়ে চৰকাৰ জ্ঞাত নহয়।

(খ)পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ পৰ্যাপ্ত পৰিমাণৰ বাজেট আবন্টন আৰু সহায়ক বাজেট আবন্টনৰ সুবিধা নথকা পৰিপ্ৰেক্ষিতত শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ লগতে চৰকাৰী কৰ্মচাৰী আবাসগৃহ আৰু ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰে কোনো আঁচনি হাতত লোৱা নাই। পৰৱৰ্তী সময়ত পৰ্যাপ্ত পৰিমানৰ বাজেট আবন্টন আৰু সহায়ক বাজেট আবন্টনৰ সুবিধা থাকিলে এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

*******